**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-01-2025
**Time :** 2125 Hrs

***Assamese Night Bulletin***
- - - - - - - - - - - - - -

অহা ১৭ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া অসম বিধানসভা বাজেট অধিবেশনৰ পূৰ্বে আজি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ অধ্যক্ষতাত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শ্ৰীদৈমাৰীয়ে বাজেট অধিবেশনৰ কাৰ্যক্ৰমণিকা নিয়াৰিকৈ পৰিচালনা কৰাৰ ক্ষেত্ৰত বিভিন্ন ৰাজনৈতিক দলৰ বিধায়কসকলৰ সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে, এই অধিবেশনৰ প্ৰথমটো দিনৰ কাৰ্যসূচীত এইবাৰ কোকৰাঝাৰত অনুষ্ঠিত হ'ব। আজিৰ বৈঠকত বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন কেইবাগৰাকীও মন্ত্ৰী আৰু বিধায়কে অংশগ্ৰহণ কৰে।

০০০০০০০

ৰাজ্যৰ অনগ্ৰসৰ এলেকাৰ ৭১০খন মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ মান আৰু আন্তঃগাঁথনিৰ উন্নয়ন সন্দৰ্ভত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিশ্ব বেংকৰ এটা প্ৰতিনিধি দলৰ সৈতে আলোচনা কৰে। বিশ্ব বেংকৰ সহযোগিতাৰে এই বিদ্যালয়সমূহৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা ২হেজাৰ ৭৫০ কোটি টকা ব্যয়সাপেক্ষ প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে দলটোৰ পৰ্যালোচনা কৰে। জংকো অ'নিচিৰ নেতৃত্বৰ দলটোৱে ৰাজ্যখনৰ এই বিদ্যালয়সমূহৰ সৰ্বাংগীন উন্নয়নৰ বাবে গ্ৰহণ কৰা সকলো পদক্ষেপৰ খৰচি মাৰি বুজ লয়।

০০০০০০০

বিগত কেইটামান বছৰত আইন শৃংখলা পৰিস্থিতি চকুত লগা ধৰণে উন্নত হোৱাৰ বাবে অসম সম্প্ৰতি বিনিয়োগৰ উত্তম স্থান ৰূপে পৰিগণিত হৈছে। এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰাৰ বাবে আজি লণ্ডনত বিশিষ্ট উদ্যোগপতিসকলক উদ্দেশ্যি ভাষণ দি ৰাজ্যৰ উদ্যোগ মন্ত্ৰী বিমল বৰাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত কেইটামান বছৰত ৰাজ্যৰ আন্তঃগাঁথনিও শক্তিশালী হৈ পৰিছে। বিনিয়োগত উত্তম সংমগুলৰ মানচিত্ৰত অসমৰ নাম অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্য ভালেমান পদক্ষেপ লোৱা হৈছে আৰু জনসম্পৰ্ক কাৰ্যসূচী আৰম্ভ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্য প্ৰগতিৰ পথত অগ্ৰসৰ হৈছে আৰু চৰকাৰে শক্তি খণ্ডত যথেষ্ট ভাল কাম কৰিছে। ৰাজ্য চৰকাৰে পথ আৰু আন্তঃগাঁথনি সা-সুবিধা উন্নয়নত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০

সপ্তদশ জয়পুৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ WORLD WOOD আন্তঃৰাষ্ট্ৰীয় পেন'ৰামা শাখাত ড০ পাৰ্থসাৰথি মহন্তৰ কাহিনী আৰু পৰিচালনাৰে নিৰ্মিত চুটি ছবি ANSUNI CHINKHE প্ৰদৰ্শিত হয়। মিনা মহন্ত আৰু ইন্দ্ৰানী বৰুৱাৰ প্ৰযোজনাৰে এই ছবিখনৰ একমাত্ৰ চৰিত্ৰটোত যশস্বী অভিনেত্ৰী সীমা বিশ্বাসে

অভিনয় কৰিছে। মহোৎসৱৰ চুটি ছবিৰ শাখাত অভিনেত্ৰীগৰাকীয়ে শ্ৰেষ্ঠ অভিনেত্ৰী আৰু পৰিচালক ড০ মহন্তই শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰিছে। ২১ জানুৱাৰীত সামৰণি পৰিবলগীয়া এই মহোৎসৱত অভিলেখ সংখ্যক ৮৮খন দেশৰ ২হেজাৰ ৪০৮খন চলচ্চিত্ৰ অন্তৰ্ভুক্ত হৈছে।

০০০০০০০

ৰাজ্যখনৰ কেইবাটাও সমূহীয়া অনাতাঁৰ কেন্দ্ৰই কম পৰিসৰৰ ভিতৰতে আকৰ্ষণীয় আৰু তথ্য সমৃদ্ধ অনুষ্ঠান প্ৰচাৰৰ দ্বাৰা স্থানীয় লোকৰ সমস্যা উপস্থাপন আৰু জনগোষ্ঠীয় সাংস্কৃতিক বৈশিষ্ট্যক প্ৰতিফলিত কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে।

আকাশবাণীৰ যোগে আজি প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যৰ ছটা সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ বিষয়ববীয়াই আজি এই বিষয়ে প্ৰকাশ কৰে। সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ এগৰাকী অন্যতম পৰামৰ্শদাতা ভাস্কৰজ্যোতি আচাৰ্য আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে অংশ লোৱা এই অনুষ্ঠানত সমূহীয়া অনাতাঁৰ কেন্দ্ৰসমূহৰ অনুষ্ঠানৰ কিয়দাংশ প্ৰচাৰ কৰা হয়। এই অনাতাঁৰ কেন্দ্ৰসমূহে দূৰণিবটীয়া অঞ্চলৰ জনসাধাৰণ সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানমূলক বিষয় সন্দৰ্ভত সজাগতা সৃষ্টি কৰে বুলিও অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলে প্ৰকাশ কৰে। এই অনুষ্ঠানত সম্প্ৰতি কলম্বোত থকা ভাৰতীয় উচ্চ আয়োগৰ অধীনৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ড০ অংকুৰণ দত্ত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ জ্ঞানমালিনীৰ অনুষ্ঠান কাৰ্যবাহী স্বপ্নালী ভূঞা, গোৱালপাৰাৰ ৰেডিঅ' গোৱালপাৰাৰ হিৰকজ্যোতি নাথ, ব্ৰহ্মপুত্ৰ অনাতাঁৰ কেন্দ্ৰৰ ৰুমী নায়কে অংশ লয়। তদুপৰি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় জ্ঞান তৰংগৰ সংগীতা চৌধুৰী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ ৰেডিঅ' লুইতৰ মৃদুমণি কাকতিও অনুষ্ঠানটিত ভাগ লয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে  শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ভাৰতীয় মহিলা দলে প্ৰথম খো খো বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় দলটোৱে আজি নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইণ্ডোৰ ষ্টেডিয়ামত অনুষ্ঠিত চেমিফাইনেলত দক্ষিণ আফ্ৰিকাত ৬৬-১৬ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰত কাইলৈ ফাইনেলত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নেপালে আজি অনুষ্ঠিত আনখন চেমিফাইনেলত উগাণ্ডাক ৮৯-১৮ পইণ্টৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱাৰ পত্নী কল্পনা বেজবৰুৱাৰ আজি চানমাৰিৰ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত বয়স হৈছিল ৯০ বছৰ।

০০০০০০০

সমাপ্ত